# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক** তাং- ০৩/০২/২০২০

## কাৰ্য্যবিৱৰণী

আজি ইং ০৩/০২/২০২০ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠকখন মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয়। মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ৰ বক্তব্যৰে আৰম্ভ হোৱা বৈঠকখনত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

বৈঠকৰ আৰম্ভণিতে Release Order ৰ পলমকৈ issue কৰিবলগীয়া হ'লে হোৱা অসুবিধাসমূহ সমাধানৰ সন্দৰ্ভত আলোচনা কৰা হয়। এই ক্ষেত্ৰত পৰৱৰ্তী দিনত অথবা জাৰিকাৰকৰ জৰিয়তে Release Order প্ৰেৰণ কৰাৰ সিদ্ধান্ত হয়। জামিননামা দাখিল কৰাৰ সময় নিৰ্ধাৰণৰ লগতে জামিনদাৰসকলৰ তথ্যপাতি তন্ন তন্নকৈ পৰীক্ষা কৰিবলৈ Bench সহায়ক সকলক নিৰ্দেশ কৰে।

নষ্ট কৰিবলগীয়া Case record সমূহৰ নষ্ট কৰাৰ ক্ষেত্ৰত যাৱতীয় কাৰ্যপন্থা অনতিপলমে গ্ৰহণ কৰিবলৈ সকিয়াই দিয়ে। লগতে কাৰ্যালয়ৰ অতিৰিক্ত কাম কাজৰ বাবে আজৰি হৈ থকা কৰ্মচাৰীসকলক নিয়োগ কৰিবলৈ জনায়।

Copy petition সমূহ যদি অসম্পূৰ্ণ, ভূল তথা নিৰ্দিষ্ট নহয়, তেনে petition সমূহ খাৰিজ কৰাৰ লগতে প্ৰতিলিপি বিচৰা নথিসমূহ ভালকৈ নিৰীক্ষণ কৰি আৰু পৰাপক্ষত সংশ্লিষ্ট বিষয়াসকলক দেখুৱাই লবলৈ পৰামৰ্শ আগবঢ়াই। ইয়াৰোপৰি Bench সহায়ক সকলক ওকালতনামা দাখিলৰ ক্ষেত্ৰত বিশেষ নজৰ দিবলৈ কয়।

লোক আদালতত কৰ্মচাৰী নিয়োগ কৰাৰ ক্ষেত্ৰত সালসলনিৰ অৱলম্বন কৰিবলৈ জনায়। ইয়াৰোপৰি লোক আদালতৰ বাবে অতিৰিক্ত সুৰক্ষাকৰ্মী প্ৰয়োজনীয়তাৰ সন্দৰ্ভত আৰক্ষী অধীক্ষকক অৱগত কৰিবলৈ জনায়।

আদালতত হাজিৰ কৰাবলৈ অনা UTP সকলৰ লগত ঘৰুৱা ব্যক্তিৰ মিলা-মিছা তথা খাদ্য সামগ্ৰীৰ আদান-প্ৰাদান কৰা যিহেতু নিসিদ্ধ, গতিকে PSI কৰ্টৰ আৰক্ষীসকলক সতৰ্ক হ'বলৈ নিৰ্দেশ কৰে। লগতে Video conferencing ৰ জৰিয়তে UTP ৰ হাজিৰ কৰাৰ প্ৰক্ৰিয়াৰ অগ্ৰগতিৰ খতিয়ান লোৱা হয়। ইয়াৰ পাছতে কাৰ্যালয়ৰ অন্যান্য শিতানত আলোচনা কৰা হয় আৰু জলযোগেৰে বৈঠকখনি সামৰণি পৰে।

Rajin 3/2

মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰূপক ৰজক)

3/2/20

অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ
(বিজয়া খাখলাৰী)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(মনিকা মিচং)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(নাজৰানা পাৰবিন ৰেহমান)